# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-05-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। হয়বৰগাঁৱকে ধৰি দেশৰ মুঠ ১০৩টা ৰে'ল ষ্টেচনক ভাৰ্চুৱেল ব্যৱস্থাৰ দ্বাৰা প্ৰধানমন্ত্ৰীৰ অমৃত ষ্টেচনৰূপে উদ্বোধন।

২। অসম লোকসেৱা আয়োগৰ পৰীক্ষা সম্পৰ্কীয় অনিয়মৰ গোচৰত ১৩গৰাকী নিলম্বিত ৰাজপত্ৰিত বিষয়াৰ আবেদন উচ্চতম ন্যায়ালয়ৰ খাৰিজ।

৩। মাজুলীৰ পৰ্যটন ক্ষেত্ৰক সত্ৰৰ উপৰি ভৌগলিক আৰু পক্ষী পৰ্যটনৰ দিশত উদ্ভাৱনী চিন্তাধাৰাৰে বিকশাই তুলিবলৈ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ আহ্বান।

৪। অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ সৈনিকসকলৰ বীৰগাঁথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি কাৰ্বি আংলং জিলাৰ বৰ্যীয়ান সেনা জোৱান মহীৰাম বেৰ অভিমত। ***আৰু***

৫। আই পি এলত আজি আহমেদাবাদত গুজৰাট টাইটানছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন।

০০০০০

নগাঁও জিলাৰ হয়বৰগাঁও ৰে'ল ষ্টেচনকে ধৰি দেশৰ ১৮ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১০৩টা অমৃত ষ্টেচন আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিকানেৰৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে মুকলি কৰে। এই উপলক্ষে হয়বৰগাঁও অমৃত ষ্টেচনত উত্তৰ-পূব সীমান্ত ৰে'লৱেই আয়োজন কৰা অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ৰাজ্যপালগৰাকীয়ে তেওঁৰ ভাষণত কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ ১০৩টা ৰে'ল ষ্টেচনক অমৃত ভাৰত ষ্টেচন হিচাপে নতুন ৰূপত গঢ় দি ভাৰতীয় ৰে'লৰ বিকাশত নতুন মাত্ৰা প্ৰদান কৰিলে। অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী কেশৱ মহন্ত, নাগালেণ্ডৰ সাংসদ এছ এছ জমিৰ, উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য মহাপ্ৰবন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱ, প্ৰাক্তন ৰে'ল ৰাজ্য মন্ত্ৰী ৰাজেন গোহাঁইকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই অনুষ্ঠানত দিয়া ভাষণত এই ষ্টেচনক উন্নীতকৰণৰ জৰিয়তে বিশ্বমানৰ কৰি গঢ়ি তোলাৰ বাবে প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীক ধন্যবাদ জনায়।

**বাইট (পবিত্ৰ মাৰ্ঘেৰিটা)**

অমৃত ভাৰত ষ্টেচন যোজনাৰ অধীনত ১৫ কোটি ৮৫ লাখ টকা ব্যয়ৰে আধুনিকীকৰণ কৰা প্ৰায় ১৩৮ বছৰ পুৰণি হয়বৰগাঁও ষ্টেচন এতিয়াৰে পৰা যাত্ৰীসেৱাৰ বাবে উৎকৃষ্ট স্থান হৈ পৰিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই অমৃত ষ্টেচনটো নগাঁও তথা অসমবাসীলৈ উৎসৰ্গা কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে এটা বাৰ্তাত ঐতিহ্য আৰু সম্পদসমূহক পুনৰুদ্ধাৰ, নৱীকৰণ আৰু অত্যাধুনিক কৰাৰ দিশত দ্বৈত ইঞ্জিন চৰকাৰে সদায়ে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰে।

উল্লেখযোগ্য যে অমৃত ষ্টেচনসমূহত দুয়োফালৰ পৰা যাত্ৰী প্ৰৱেশৰ সুবিধা, যাত্ৰীৰ বাবে পদসেতু, দিব্যাংগৰ বাবে উপযোগী সা-সুবিধা, বিনামুলীয়া ৱাইফাইৰ সুবিধাৰ লগতে ষ্টেচনসমূহত শ্ব'পিংমল আৰু ইণ্টাৰনেট কেফেৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি নতুনকৈ নিৰ্মাণ কৰা ষ্টেচনসমূহত স্থানীয় সংস্কৃতি প্ৰতিফলিত হোৱাকৈ বিভিন্ন প্ৰতিকৃতি আৰু আলোকচিত্ৰৰ সমাহাৰ ঘটিছে।

০০০০০

অসম লোকসেৱা আয়োগৰ পৰীক্ষা সম্পৰ্কীয় অনিয়মৰ গোচৰত আজি উচ্চতম ন্যায়ালয়ে ১৩গৰাকী নিলম্বিত ৰাজপত্ৰিত বিষয়াৰ এখন আবেদন খাৰিজ কৰিছে। পৰীক্ষাত অনিয়ম সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটৰ অনুসন্ধান প্ৰক্ৰিয়া আৰু গোটটোৱে দাখিল কৰা পৰিপূৰক অভিযোগনামাক প্ৰত্যাহ্বান জনাই এই বিষয়াকেইগৰাকীয়ে উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ এম এম সুন্দৰেশ আৰু ৰাজেশ বিন্দালৰ বিচাৰপীঠে অভিযুক্ত বিষয়াকেইজনৰ আবেদন খাৰিজ কৰে। ইয়াৰ লগে লগে এই বিষয়াসকল বিচাৰ প্ৰক্ৰিয়াৰ সন্মুখীন হোৱাটো নিশ্চিত হৈছে।  উল্লেখযোগ্য যে অসম লোকসেৱা আয়োগৰ পৰীক্ষাত এই ১৩গৰাকী অভিযুক্ত বিষয়াৰ নম্বৰ তালিকা পুনৰীক্ষণ নথিত অধিক নম্বৰ যোগ দিয়া বুলি তদন্তত ধৰা পৰিছিল।

০০০০০

মাজুলীক পৰ্যটকৰ বাবে অধিক আকৰ্ষণীয় ৰূপত গঢ়ি তুলিবলৈ পৰ্যটন বিভাগে পৰম্পৰাগতভাৱে কৰি অহা কামৰ উপৰি উদ্ভাৱনী চিন্তাধাৰাৰে পদক্ষেপ ল'বলৈ পৰ্যটন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আহ্বান জনাইছে। আজি জিলাখনৰ আয়ুক্ত কাৰ্যালয়ত বিভাগটোৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লৈ মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে মাজুলীত সত্ৰৰ উপৰি ভৌগলিক আৰু পক্ষী পৰ্যটনৰ দিশৰ পৰা পৰ্যটকৰ বাবে ভালেমান সমল আছে। এই সমলসমূহৰ উচিত ব্যৱহাৰৰ দ্বাৰা পৰ্যটনৰ সম্ভাৱনাক অধিক শক্তিশালী কৰি তুলিবলৈ তেওঁ পৰামৰ্শ দিয়ে। মন্ত্ৰীগৰাকীয়ে মাজুলীৰ জেংৰাইত দুপৰীয়া স্বদেশ দৰ্শন আঁচনিৰ অধীনত নিৰ্মিত পৰ্যটন প্ৰকল্পটো পৰিদৰ্শন কৰি ইয়াক শীঘ্ৰেই পৰ্যটকৰ বাবে উপযোগী কৰি তুলিবলৈ পৰামৰ্শ দিয়ে। মন্ত্ৰীগৰাকীয়ে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰো বিভিন্ন আঁচনিৰ কাম-কাজ পৰ্যালোচনা কৰে। বৈঠকত মাজুলীৰ বিধায়ক ভূৱন গামৰ লগতে বিভাগীয় বিষয়াসকল উপস্থিত আছিল।

০০০০০

বৰপেটা জিলাৰ নিজ চেংগা গাঁৱত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণৰ তথ্য লাভ কৰাৰ পাছতো জিলা প্ৰশাসনে জিলাখনত গাহৰিৰ সৰবৰাহ আৰু গাহৰি মাংস বিক্ৰী সম্পূৰ্ণৰূপে নিষিদ্ধ কৰিছে। জিলা পশুপালন আৰু পশু চিকিৎসা বিভাগে আজি এই তথ্য নিশ্চিত কৰাৰ পাছতেই জিলাখনৰ ভাৰপ্ৰাপ্ত আয়ুক্তই অসম মহামাৰী আইন ২০২৩ অনুসৰি কঠোৰ নিৰ্দেশনা জাৰি কৰে। অৱশ্যে ৰাষ্ট্ৰীয় ঘাইপথেৰে গাহৰিৰ পৰিবহন অব্যাহত থাকিব। এই ৰোগৰ সংক্ৰমণ হোৱা অঞ্চলৰ ১ কিলোমিটাৰ ব্যাসাৰ্ধত জনসমাবেশতো বাধা আৰোপ কৰা হৈছে। বৰপেটাৰ জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়াই প্ৰকাশ কৰা মতে সতৰ্কতামূলক ব্যৱস্থা হিচাপে এই ৰোগৰ সংক্ৰমণ হোৱা নিজ চেংগা গাঁৱৰ পামখনত কাইলৈ গাহৰি নিধন কৰা হ'ব। উল্লেখযোগ্য যে এসপ্তাহ পূৰ্বে জিলাখনৰ গহিয়া গাঁৱৰ এজন লোকৰ পামৰ গাহৰিত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ ধৰা পৰাৰ ফলত পামখনৰ ১৮টা গাহৰি নিধন কৰা হৈছিল।

০০০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সেনা বাহিনীয়ে লাভ কৰা সফলতাৰ পটভূমিত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰৰ শৃংখলাত আজি আমি লগ পাওঁ আহক **কাৰ্বি আংলং জিলাৰ মহীৰাম**

**বেক**। ১৯৬৮ চনত সেনাবাহিনীত জোৱান হিচাপে যোগ দিয়া বেই ১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধত অসম ৰেজিমেণ্টৰ পৰা অপৰিসীম সাহসেৰে যুঁজ দিছিল। এই যুদ্ধত প্ৰদৰ্শন কৰা সাহস আৰু কৃতিত্বৰ লগতে অন্যান্য কেইবাটাও প্ৰশংসনীয় কাৰ্যৰ বাবে সেনা জোৱানগৰাকীয়ে আঠোটা পদক লাভ কৰিবলৈ সমৰ্থ হৈছিল। অৱসৰপ্ৰাপ্ত সেনা জোৱানগৰাকীয়ে তেওঁৰ অভিজ্ঞতা আৰু অপাৰেচন সিন্দূৰৰ কাৰ্যকৰিতা সন্দৰ্ভত আমাৰ ডিফুৰ সংবাদদাতা কাংবুৰা ছিংনাৰৰ আগত এই মত ব্যক্ত কৰে। –

**(বাইট)**

০০০০০

দক্ষিণ কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত লোহাৰঘাট বনাঞ্চলৰ অধীনৰ বিভিন্ন অঞ্চলত বনৰীয়া হাতীৰ জাকৰ পৰা ফালৰি কাটি অহা কেইবাটাও হাতীৰ দলে জনাঞ্চলত প্ৰৱেশ কৰি জনসাধাৰণৰ জীৱনৰ প্ৰতি ভাবুকি কঢ়িয়াই অনাৰ পৰিপ্ৰেক্ষিতত কামৰূপৰ জিলা দণ্ডাধীশে ভাৰতীয় ন্যায় সংহিতাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই অনুসৰি পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ৰঙামাটি, উৰপুট, কল্লপাৰা, মনিয়েৰী, পাৰাকুছি, মাগুৰপাৰা, দহালি, ভাগৱতীপাৰা, ৰাজাপুখুৰী আদি অঞ্চলত কাইলৈ পুৱা ৫ বজালৈকে কাৰ্যকৰী হোৱাকৈ জনসাধাৰণক অনাহকত ঘৰৰ বাহিৰলৈ আহ-যাহ কৰা, যান-বাহন চলাচল কৰা, হাতী খেদিবলৈ শিল দলিওৱা আৰু ফটকা ফুটোৱা আদি কাৰ্য ভাৰতীয় ন্যায় সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত নিষেধ কৰা হৈছে। এগৰাকী সংবাদদাতাই জনোৱা মতে যোৱা শুকুৰবাৰে বনৰীয়া হাতীৰ আক্ৰমণত এজন মধ্য বয়সীয়া লোক নিহত হয়। এই ঘটনাৰ পাছত গাঁওবাসীয়ে হাতী খেদিবলৈ নিজাববীয়াকৈ চেষ্টা চলোৱাৰ ফলত হাতীৰ দলটো বিভ্ৰান্ত হৈ পৰে। বন বিভাগে আজি এই হাতীৰ দলটো পুনৰ বনাঞ্চললৈ খেদি পঠিওৱাৰ বাবে প্ৰয়াস চলাইছে। পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই আজি এই অঞ্চলসমূহ ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লয়।

০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ দিৱস। জৈৱ বৈচিত্ৰৰ সংৰক্ষণ আৰু এই ক্ষেত্ৰত জনসাধাৰণক সজাগ আৰু শিক্ষিত কৰাৰ লক্ষ্যৰে প্ৰতিবছৰে আজিৰ দিনটো জৈৱ বৈচিত্ৰ দিৱস হিচাপে পালন কৰি অহা হৈছে। এই বছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে- **প্ৰকৃতিৰ সৈতে সমন্বয় আৰু বহনক্ষম উন্নয়ন**। জৈৱ বৈচিত্ৰৰ ক্ষেত্ৰত চহকী অসমৰ ৰাষ্ট্ৰীয় উদ্যান, বন্যপ্ৰাণী অভয়াৰণ্য, বনাঞ্চল আদিয়ে ৰাজ্যখনৰ জৈৱ বৈচিত্ৰৰ প্ৰতিপালন আৰু সংৰক্ষণৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আন্তঃৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ দিৱসৰ ক্ষণত এইক্ষেত্ৰত নিষ্ঠাৰে কাম কৰি অহা ব্যক্তি তথা অনুষ্ঠানসমূহলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছে।

০০০০০

নাবাৰ্ডৰ উদ্যোগত আৰু ৰাজ্য চৰকাৰৰ সামাজিক বনানিকৰণ বিভাগ তথা স্বেচ্ছাসেৱী সংগঠন এন ই কাৰ্ডৰ সহযোগত আজি পথৰুঘাটৰ কৃষক শ্বহীদ উদ্যানত আন্তঃৰাষ্ট্ৰীয় সমবায় বৰ্ষৰ লগত সংগতি ৰাখি **এক পেড় মা কে নাম** শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীৰ অধীনত উদ্যানখনত এশ জোপা গছপুলি ৰোপণ কৰা হয়। অনুষ্ঠানত নাবাৰ্ডৰ দৰং-ওদালগুৰি জিলাৰ সহকাৰী মহাপ্ৰবন্ধক, পথৰুঘাট ৰাজহ চক্ৰ বিষয়াকে ধৰি সমবায় বিভাগৰ কেইবাগৰাকী বিষয়া উপস্থিত থাকে। প্ৰায় ১৪ বিঘা ভূমি জুৰি থকা এই কৃষক শ্বহীদ বাকৰিত ৰোপণ কৰা গছপুলিসমূহৰ সংৰক্ষণৰ লগতে পানীযোগানৰ বাবে প্লাষ্টিকৰ পেলনীয়া বটল পুনৰ ব্যৱহাৰ কৰাৰ কৌশল প্ৰথমবাৰৰ বাবে প্ৰয়োগ কৰা হৈছে বুলি মঙলদৈৰ পৰা আমাৰ দৰং জিলাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০০

রাজ্যৰ বিভিন্ন প্ৰান্তত বিজেপিৰ ত্ৰিৰংগ যাত্ৰা অব্যাহত আছে। **মৰিগাঁৱৰ** জাগীৰোডত উলিওৱা ত্ৰিৰংগ যাত্ৰাত আজি বহুসংখ্যক লোকে অংশগ্ৰহণ কৰে। সেনাবাহিনীৰ পৰাক্ৰম আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্ণায়ক নেতৃত্বৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ অংশ হিচাপে উলিওৱা এই ত্ৰিৰংগ যাত্ৰাত মন্ত্ৰী পীযূষ হাজৰিকা, বিধায়ক ৰমাকান্ত দেউৰীকে ধৰি বিজেপিৰ মৰিগাঁও জিলাৰ সভাপতি তথা দলৰ কাৰ্যকৰ্তাসকলে অংশগ্ৰহণ কৰে। মন্ত্ৰী হাজৰিকাই দেশমাতৃৰ সুৰক্ষা আৰু সেৱাৰ এই যাত্ৰাত ৰাষ্ট্ৰীয় পতাকাখনে প্ৰতিগৰাকী ভাৰতীয়ক সদায় একতাৰ দোলেৰে বান্ধি ৰাখিব বুলি উল্লেখ কৰে।

**বাইট (পীযূষ হাজৰিকা)**

**নগাঁও** জিলাত নাগৰিক সমাজ, নগাঁও জিলা সমিতিৰ উদ্যোগত আজি বিয়লি নেহৰুবালিৰ পৰা ত্ৰিৰংগ যাত্ৰাৰ কাৰ্যসূচী উলিওৱা হয়। নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাৰ নেতৃত্বত আৰম্ভ হোৱা এই যাত্ৰাত শতাধিক লোকে অংশগ্ৰহণ কৰি হাতে হাতে ৰাষ্ট্ৰীয় পতাকা লৈ দেশমাতৃৰ হকে শ্ল'গান দিয়ে।

**গোলাঘাট** জিলাত উলিওৱা ত্ৰিৰংগ যাত্ৰাত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী অজন্ত নেওগ, সাংসদ কামাখ্যা প্ৰসাদ তাছাকে ধৰি সৰুপথাৰ আৰু খুমটাই সমষ্টিৰ বিধায়ক দুগৰাকীয়ে অংশগ্ৰহণ কৰে। ৰাজ্যিক সভাপতিগৰাকীয়ে ত্ৰিৰংগ যাত্ৰাত অংশ লোৱাৰ সুযোগতে বীৰাংগনা সতীসাধিনী কলাক্ষেত্ৰত আয়োজিত এখন সভাত অংশ লৈ জিলাখনৰ নৱনিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলক সম্বৰ্ধনা জনায়।

**বজালী** জিলাত আজি স্বাভিমানী বজালী সমাজৰ উদ্যোগত পাঠশালাৰ ভগৱতী ক্ষেত্ৰৰ পৰা ত্ৰিৰংগ যাত্ৰা উলিওৱা হয়। শতাধিক লোকে এই যাত্ৰাত হাতে হাতে ত্ৰিৰংগ পতাকা লৈ দেশপ্ৰেমমূলক শ্ল'গান, ধ্বনি আৰু সংগীতেৰে জনসাধাৰণক উদ্বুদ্ধ কৰে। নগৰখনৰ কেইবাটাও ৱাৰ্ড পৰিভ্ৰমণ কৰি উলিওৱা ত্ৰিৰংগ যাত্ৰা শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনে নেতৃত্ব দিয়ে।

০০০০০

হোজাই জিলাৰ লংকাত এক নম্বৰ ৰে'ল গে'টৰ ওপৰত নিৰ্মীয়মান উৰণ সেতুৰ কাম অতি লেহেমীয়া গতিত হৈ থকা কাৰ্যৰ বিৰোধিতা কৰি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে আজি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। অঞ্চলটোৰ ৰাইজেও এই কাৰ্যসূচীত অংশ লয়। প্ৰতিবাদী জনসাধাৰণে বহু সময় ধৰি পথ অৱৰোধ কৰি ৰখাত ৰে'লপথৰ দুয়ো কাষে বহুসংখ্যক বাহন আবদ্ধ হৈ পৰে। প্ৰতিবাদকাৰীসকলে জিলা আয়ুক্তই এমাহৰ ভিতৰত এই সমস্যা সমাধান কৰাৰ প্ৰতিশ্ৰুতি নিদিয়া পৰ্যন্ত পথ অৱৰোধ কাৰ্যসূচী অব্যাহত থাকিব বুলি দাবী কৰে।

০০০০০

টাইৱানৰ টাইপেই চহৰত অনুষ্ঠিত বিশ্ব মাষ্টাৰ্ছ গেমছৰ ডিছকাছ থ্ৰ' প্ৰতিযোগিতাত কোকৰাঝাৰৰ নীলা বসুমতাৰীয়ে সোণৰ পদক অৰ্জন কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইয়াৰ পূৰ্বে নীলাই এই আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত শ্বটপুট দলিয়াই ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল। প্ৰতিযোগিতাৰ ট্ৰিপ'ল জাম্পত তিনিচুকীয়াৰ গীতাঞ্জলি বৰাই ৰূপৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ লক্ষ্ণৌ চুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত